## আৰম্ভণি:

ক্ষেত্ৰভিত্তিক অধ্যয়ন আমাৰ অধ্যয়নৰেই এটা গুৰুত্বপূৰ্ণ অংশ। শ্ৰেণীগত নিৰ্দিষ্ট পাঠ্যক্ৰমৰ লগতে নিজা দৃষ্টিভংগীৰে যিকোনো এটা বিষয় সম্পৰ্কে সম্যক জ্ঞান আহৰণ কৰাটো ছাত্ৰ-ছাত্ৰীৰ বাবে যথেষ্ট উপযোগী। এনে অধ্যয়নে ছাত্ৰ-ছাত্ৰীৰ জ্ঞান বিকাশত সহায় কৰে। বহনা মহাবিদ্যালয়ৰ স্নাতক ৰাজনীতি বিজ্ঞান বিভাগৰ পৰা প্ৰতিবছৰে এনে ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বাবে অসমৰ লগতে দূৰৈৰীয়া ঠাইবিলাকত ভ্ৰমণ কৰা হয়।

## ক্ষেত্ৰভিত্তিক অধ্যয়নৰ স্থান আৰু সময়:

অসমৰ সৰ্ববৃহৎ ৰাষ্ট্ৰীয় উদ্যান কাজিৰঙাখন ৰেঞ্জবাটাও সংৰক্ষিত এলেকাত বিভক্ত। এনে এলেকা সমূহৰ ভিতৰত এটা অন্যতম সংৰক্ষিত এলেকা হৈছে কহঁৰা। যোৰহাটৰ পৰা গ'লে পোৱা প্ৰথমটো আৰু নামনি অৰ্থাৎ গুৱাহাটীৰ পৰা আহিলে পোৱা অন্তিমটো সংৰক্ষিত এলেকাই হৈছে কহঁৰা। আমি এইটো ক্ষেত্ৰভিত্তিক অধ্যয়ন আৰম্ভ কৰিছিলোঁ ২০১৫ চনৰ ডিচেম্বৰ মাহত। শ্ৰেণীৰ পুথিগত পাঠ্যক্ৰমৰ অন্তত বৰ্ষটোৰ শেষত আমাৰ এই ক্ষেত্ৰভিত্তিক অধ্যয়ন আৰম্ভ হৈছিল।

## ছাত্ৰ-ছাত্ৰীৰ সংখ্যা:

অধ্যয়নটোত মুঠতে ৩৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল। আমি ছাত্ৰ-ছাত্ৰীসকলে মুঠ ৭টা দলত ভাগ হৈ এই অধ্যয়ন কৰিছিলোঁ।

## অধ্যয়নৰ উদ্দেশ্য:

আমাৰ শ্ৰেণীগত পাঠ্য-পুথিৰ জ্ঞানৰ লগতে ক্ষেত্ৰভিত্তিক শিক্ষা অধ্যয়নৰ প্ৰয়োজন। তাৰ বাবে আমাৰ আশে-পাশে থকা অঞ্চলসমূহৰ বিষয়ে জনাটো অতি দৰকাৰ। সেয়ে আমি অধ্যয়নৰ বাবে প্ৰাকৃতিক সম্পদেৰে পূৰ্ণ কহুৱা অঞ্চলটোৰ স্থিতি, জনবসতি, যাতায়ত ব্যৱস্থা, মানুহৰ জীৱিকা আদি সম্পৰ্কে তথ্য আহৰণ কৰাই আমাৰ প্ৰধান উদ্দেশ্য।

## অঞ্চলটোৰ বৰ্ণনা:

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান অসমৰ আন্তৰ্জাতিক খ্যাতিৰ ৰাষ্ট্ৰীয় উদ্যান। বিশ্বৰ ভিতৰতে একশিঙীয়া গঁড় কেৱল অসমৰ কাজিৰঙাতে সৰ্বাধিক সংখ্যক আছে। কাজিৰঙাৰ কহুৱা সংৰক্ষিত এলেকাত গঁড়ৰ মুক্ত বিচৰণ দেখিবলৈ পোৱা যায়। কহুৱা সংৰক্ষিত এলেকাত ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰাৰ বিভিন্ন ফল আছে। যেনে — অঞ্চলটোৰ প্ৰাকৃতিক পৰিৱেশৰ লগতে মানুহৰ বসতি কেনেধৰণৰ, দৈনন্দিন জীৱন-যাপন কেনেকুৱা, জীৱিকা আদি।

(ক) কহুৱা অঞ্চলটোত মাইকি সাধাৰণ যন্ত্ৰ খিলঞ্জীয়া লোকৰ লগতে চাহ-জনগোষ্ঠী, কাৰ্বিলোকৰ বসতি দেখা যায়। ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে ক্ষুদ্ৰ নগৰ সদৃশ এটা পৰিবেশো গঢ় লৈ উঠিছে। ইয়াতে এজন স্থানীয় লোকসকলে দৈনন্দিন জীৱনৰ প্ৰয়োজনসমূহ পূৰণ কৰে।

(খ) ৰাষ্ট্ৰীয় ঘাইপথৰ এই অঞ্চলটোৰ ভিতৰৰ ৰাস্তাসমূহ নিৰ্মীয়মাণ অৱস্থাত আছে। যাতায়ত ব্যৱস্থা বৰ উন্নত নহ'লেও সাধাৰণভাৱে চলি থাকিব পাৰি। আজ-কাল সকলো বাহনেই অঞ্চলটোত চলাচল কৰে।

(গ) স্থানীয় বাসিন্দাসকলৰ প্ৰধান বৃত্তি হৈছে ব্যৱসায়-বাণিজ্য কৰে। দোকান-পোহাৰত এজন আদি কৰি অন্যান্য সামগ্ৰীবিলাক ৰ প্ৰায়ামানি পদপথত ব্যৱসায়ী দেখা যায়। চাহ-জনগোষ্ঠীৰ লগতে কিছুসংখ্যক কাৰ্বিলোকে অঞ্চলটোৰ চাহ-খেতিত লগত জড়িত। স্থানীয়লোকৰ এজন অসমতে চাকৰি কৰা লোকৰ সংখ্যা কম। তাকেপতি বন বিভাগত চাকৰি কৰা লোকৰ দুই-চাৰিজনৰ বাদে বাকীসকল অসমৰ অন্য প্ৰান্তৰ লোক।

## ভ্ৰমণৰ যাতায়ত ব্যৱস্থা:

আমি বাছেৰে কহুআলৈ যাত্ৰা কৰিছিলো। যোৰহাটৰ পৰা কহুআলৈ দূৰত্ব ১০০ কি:মি:। ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা কহুৱাৰ ভিতৰলৈ এটা নিৰ্দিষ্ট দূৰত্বলৈ বাছ লৈ যাব পাৰি। আমি আমাৰ লক্ষ্যস্থানলৈকে বাছ লৈ যাব পাৰিছিলো।

## অধ্যয়নৰ কাৰণে অৰ্থ :

অধ্যয়নটো সফল ৰূপায়ণত আমাৰ যথেষ্ট অৰ্থৰ প্ৰয়োজন হৈছিল। আমি এক নিৰ্দিষ্ট পৰিমাণৰ অৰ্থ নিৰ্ধাৰণ কৰি সকলোৱে মিলি যোগাৰ কৰিছিলোঁ। বিভাগৰ অধ্যাপক সকলেও এইক্ষেত্ৰত সহায় কৰিছিল।

## সামৰণি :

প্ৰথম ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰী হিচাপে আমি সকলোৱে এই ভ্ৰমণটোৰ পৰা যথেষ্টখিনি জ্ঞান আহৰণ কৰিবলৈ সক্ষম হৈছিলোঁ। এক নতুন অভিজ্ঞতা লাভ কৰিলোঁ। [illegible]-এমৰ উপৰিও এনেধৰণে ক্ষেত্ৰভিত্তিক অধ্যয়নে যথেষ্ট সহায় কৰে। কাৰণ সংৰক্ষিত বনাঞ্চলৰ ক্ষেত্ৰ অধ্যয়ন মাধ্যম আৱশ্যকীয়হে। এনে ক্ষেত্ৰভিত্তিক অধ্যয়ন ছাত্ৰ-ছাত্ৰীৰ বাবে খুবেই প্ৰয়োজন।